# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ঘানাৰ সংসদীয় অধিৱেশনত ভাষণ দিব।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি হাৰিয়ানাত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ অধ্যক্ষসকলৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন মুকলি কৰে।

৩। ভাৰতত পুনৰ কেইবাগৰাকীও পাকিস্তানী অভিনেতা-অভিনেত্ৰী আৰু ক্ৰিকেট খেলুৱৈৰ সামাজিক মাধ্যমৰ একাউণ্ট নিষিদ্ধ কৰা হৈছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতিক সমৰ্থন নকৰাক লৈ পশ্চিমীয়া দেশসমূহক প্ৰশ্ন কৰিছে।

আৰু

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজত বাৰ্মিংহামৰ এড্‌জবেষ্টনত চলি থকা দ্বিতীয় টেষ্ট ক্ৰিকেট খেলখনৰ দ্বিতীয় দিনাৰ খেল আজি বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ঘানাৰ সংসদীয় অধিৱেশনত ভাষণ দিব। তেওঁ দেশখনৰ ৰাজধানী আক্ৰাত ভাৰতীয় সমুদায়ৰ লোকসকলৰ সৈতে এটা মত বিনিময় অনুষ্ঠানতো ভাগ ল'ব। ঘানা ভ্ৰমণৰ দ্বিতীয় তথা অন্তিমদিনা শ্ৰী মোদীয়ে আজি নাক্ৰুমা স্মাৰকলৈকো যাব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদী আৰু ঘানাৰ ৰাষ্ট্ৰপতি জন ড্ৰামানি মহামাই প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয় আৰু দুয়োখন দেশে বৃহৎ পৰিসৰৰ সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই বাণিজ্য  বিনিয়োগ, কৃষি, ডিজিটেল প্ৰযুক্তি, দক্ষতা নিৰ্মাণ, আন্তঃগাঁথনি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা বৃদ্ধি সন্দৰ্ভত আলোচনা কৰে। দুয়োখন ৰাষ্ট্ৰই সংস্কৃতি, আয়ুৰ্বেদ আৰু পৰম্পৰাগত ঔষধকে ধৰি বিভিন্ন ক্ষেত্ৰত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। দুয়োগৰাকী নেতাই ক্ৰমবৰ্ধমান দ্বিপাক্ষিক বাণিজ্য আৰু ঘানাত ভাৰতৰ বিনিয়োগক লৈ সন্তুষ্টি ব্যক্ত কৰে। তেওঁলোকে লগতে প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতা সন্দৰ্ভতো কথা পাতে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে ঘানাৰ ৰাষ্ট্ৰপতি জন মাহামাৰ পৰা দেশখনৰ ৰাষ্ট্ৰীয় সন্মান Officer of the Order of the Star of Ghana গ্ৰহণ কৰে। শ্ৰী মোদীক তেওঁৰ প্ৰভাৱশালী গোলকীয় নেতৃত্বৰ স্বীকৃতি স্বৰূপে এই সন্মান প্ৰদান কৰা হয়।

উল্লেখযোগ্য যে পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণেৰে ৰাওনা হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী যোৱা নিশা ঘানাৰ ৰাজধানী আক্ৰাত উপস্থিত হয়।

তেওঁ আজি নিশা ট্ৰিনিদাদ আৰু টবেগ'লৈ যাব। তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ক্ৰিষ্টাইন কাৰলা কাংগালো আৰু প্ৰধানমন্ত্ৰী কমলা প্ৰসাদ বিছেছৰৰ সৈতে বৈঠকত মিলিত হ'ব। এই বৈঠকত দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক

শক্তিশালী কৰাৰ বাবে আলোচনা কৰা হ'ব। ভ্ৰমণৰ পৰৱৰ্তী পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী আৰ্জেণ্টিনা, ব্ৰাজিল ব্ৰাচিলীয়া আৰু নামিবিয়ালৈ যাব।

০০০০০০০০০

হাৰিয়ানাৰ মানেচৰৰ আন্তঃৰাষ্ট্ৰীয় যান-বাহন প্ৰযুক্তি কেন্দ্ৰত  আজি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ নগৰীয়া স্থানীয় নিকায়সমূহৰ অধ্যক্ষসকলৰ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ সন্মিলন অনুষ্ঠিত হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এই সন্মিলন মুকলি কৰে। দুদিনীয়া এই সন্মিলনৰ বিষয়বস্তু হৈছে - ৰাষ্ট্ৰ গঠন আৰু সাংবিধানিক গণতন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত নগৰীয়া স্থানীয় নিকায়সমূহৰ ভূমিকা। গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰাৰ লগতে সাম্প্ৰতিক যুগত নগৰীয়া শাসন ব্যৱস্থাৰ উদ্ভাৱনীমূলক দিশসমূহত আলোকপাত কৰাই এই সন্মিলনৰ মূল উদ্দেশ্য। সন্মিলনত মহিলা সৱলীকৰণ আৰু ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰতৰ লক্ষ্যপ্ৰাপ্তিৰ ক্ষেত্ৰত নগৰীয়া স্থানীয় নিকায়সমূহৰ ভূমিকা সন্দৰ্ভতো আলোচনা অনুষ্ঠিত হ'ব। অনুষ্ঠানত হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াব সিং চাইনী আৰু হাৰিয়ানা বিধানসভাৰ অধ্যক্ষ হৰবিন্দৰ কল্যাণ উপস্থিত থাকে।

০০০০০০০০০

ভাৰতত পুনৰ কেইবাগৰাকীও পাকিস্তানী অভিনেতা-অভিনেত্ৰী আৰু ক্ৰিকেট খেলুৱৈৰ সামাজিক মাধ্যমৰ একাউণ্ট নিষিদ্ধ কৰা হৈছে। কাৰিকৰী কাৰণত এনে একাউণ্টকেইটা কেইঘণ্টামান সময়ৰ বাবে দেখা পোৱা গৈছিল। উল্লেখযোগ্য যে ভাৰতবিৰোধী মনোভাৱ আৰু প্ৰৰোচনামূলক বাৰ্তা প্ৰচাৰ কৰা বাবে যোৱা মে' মাহত কেন্দ্ৰীয় চৰকাৰে পাকিস্তানৰ কেইবাটাও ইউ টিউব চেনেল আৰু সামাজিক মাধ্যমৰ একাউণ্ট বন্ধ কৰি দিছিল। এনে একাউণ্টসমূহৰ ভিতৰত অভিনয় শিল্পী ছাবা কামাৰ, আহাদ ৰাজা মীৰ, য়ুমনা জাইদি আৰু দানিছ টাইমুৰৰ ইনষ্টাগ্ৰাম একাউণ্টৰ লগতে ক্ৰিকেটাৰ শ্বাহিদ আফ্ৰিদী আৰু শ্বোৱেইব আখতাৰৰ ইউটিউব চেনেলকেইটাও আছিল। এই সংক্ৰান্তত চৰকাৰে জাৰি কৰা এটা নিৰ্দেশত সকলো OTT Platform কে ধৰি সংশ্লিষ্ট পক্ষসমূহক পাকিস্তানৰ ৱেব ছিৰিজ, কথাছবি, গীত, পডকাষ্ট আদিকে ধৰি সকলোধৰণৰ প্ৰচাৰ ব্যৱস্থা বন্ধ কৰিবলৈ কোৱা হৈছে।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্‌ জয়শংকৰে সন্ত্ৰাসবাদ সন্দৰ্ভত ভাৰতৰ স্থিতিক সমৰ্থন নকৰাক লৈ পশ্চিমীয়া দেশসমূহক প্ৰশ্ন কৰিছে। ভাৰতে গ্ৰহণ কৰা সন্ত্ৰাসবাদ বিৰোধী পদক্ষেপৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ঐক্যবদ্ধ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাত তেওঁ গুৰুত্ব আৰোপ কৰে। ৱাশ্বিংটনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত ড° জয়শংকৰে কয়, যে কোনো এখন দেশ সন্ত্ৰাসবাদৰ বলি হ'লে সাধাৰণতে আন দেশে এইক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থিতি গ্ৰহণ কৰা পৰিলক্ষিত নহয়, যিধৰণৰ স্থিতি দেশখন নিজে এনে পৰিস্থিতিৰ সন্মুখীন হ'লে গ্ৰহণ কৰা দেখা যায়। এইক্ষেত্ৰত ভাৰতবৰ্ষ নিজৰ স্থিতি আৰু নীতিৰ ক্ষেত্ৰত তুলনামূলকভাৱে বহু বেছি অটল হৈ থকা বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে আন কোনো দেশত সন্ত্ৰাসবাদীৰ আক্ৰমণ সংঘটিত হ'লে ভাৰতে নিজ দেশত সংঘটিত এনেধৰণৰ ঘটনাৰ ক্ষেত্ৰত গ্ৰহণ কৰাৰ নিচিনাকৈ একেধৰণৰ ব্যৱস্থা লয়।

০০০০০০০০০

ইন্দোনেছিয়াত যোৱানিশা বালি দ্বীপলৈ যোৱা এখন ফেৰী দুৰ্ঘটনাগ্ৰস্ত হৈ কমেও ছজন লোকৰ মৃত্যু হয়। ফেৰীখনত মুঠ ৬৫ জন যাত্ৰী আছিল আৰু ইয়াৰে ২৩ জনক উদ্ধাৰ কৰা হয় বুলি উদ্ধাৰকাৰী বিষয়াই প্ৰকাশ কৰিছে। দুৰ্ঘটনাত সন্ধানহীন হৈ থকা লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। দেশখনৰ ৰাষ্ট্ৰীয় অভিযান আৰু উদ্ধাৰ সংস্থা চূড়াবায়া কাৰ্যালয়ে জনোৱা মতে ৫৩ গৰাকী যাত্ৰী আৰু ১২ গৰাকী নাৱিক তথা অন্যান্য কৰ্মচাৰীক লৈ জাভাৰ পূব উপকূলৰ বানয়ুৱাংগিৰ পৰা জনপ্ৰিয় পৰ্যটনস্থলী বালিলৈ গৈ থকাৰ সময়তে ফেৰীখন ডুব যায়। উদ্ধাৰকাৰীসকলে আজি নিচেই পুৱা এখন লাইফ ব'টত এই ঘটনাত প্ৰাণ ৰক্ষা পৰা চাৰিজন লোকক প্ৰত্যক্ষ কৰে। কৰ্তৃপক্ষই ইতিমধ্যে এই ঘটনাৰ  তদন্ত আৰম্ভ কৰিছে। স্থানীয় সংবাদ মাধ্যমে প্ৰকাশ কৰা তথ্য অনুসৰি ফেৰীখন ডুব যোৱাৰ কিছু সময় পূৰ্বে ইঞ্জিন বিকল হৈছিল।

০০০০০০০০০

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত আজিৰেপৰা মাহজোৰা কাৰ্যসূচীৰে বন মহোৎসৱ, ২০২৫-ৰ আয়োজন কৰা  হৈছে। এই কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰি দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই 'মাৰ নামত এজোপা গছ' শীৰ্ষক কাৰ্যসূচীৰ অধীনত এটা গছপুলি ৰোপন কৰে। বন মহোৎসৱ, ২০২৫ কাৰ্যসূচীৰ অধীনত এই সময়ছোৱাৰ ভিতৰত ৭০ টা বিধানসভা সমষ্টিৰ সকলো অঞ্চলকে সামৰি এনে গছপুলি ৰোপন কাৰ্যসূচীৰ বিকেন্দ্ৰীকৰণৰ জৰিয়তে ৭০ লাখ জোপা গছৰ পুলি ৰোপনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩১০ ৰাণ সংগ্ৰহ কৰে। অধিনায়ক শুভমন গিলে তেওঁৰ টেষ্ট জীৱনৰ সপ্তমটো শতৰাণ সংগ্ৰহ কৰি ১১৪ ৰাণ কৰি বেট ধৰি আছে। ৰবীন্দ্ৰ জাদেজা ৪১ ৰাণ কৰি অপৰাজিত হৈ আছে। ইয়াৰ আগতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভাৰতীয় অপেনাৰদ্বয় যশস্বী জয়ছোৱাল আৰু কে এল ৰাহুলে সতৰ্কতাৰে ইনিংছ আৰম্ভ কৰে যদিও ৰাহুল মাত্ৰ ২ ৰাণ কৰি আউট হয়। ইয়াৰ পাছত কৰুণ নায়াৰৰ সৈতে লগ লাগি যশস্বী জয়ছোৱালে দ্বিতীয় উইকেটৰ যুটীত ৮০ ৰাণ যোগ দিয়ে। কৰুণ নায়াৰ ভোজন বিৰতিৰ থিক পূৰ্বে ৩১ ৰাণ কৰা অৱস্থাত আউট হয়। যশস্বী জয়ছোৱালে সুন্দৰ খেল প্ৰদৰ্শন কৰি ৮৭ ৰাণত আউট হয়। ঋষভ পন্ত ২৫ ৰাণত আউট হয়। নীতিশ কুমাৰ ৰেড্ডীয়ে মাত্ৰ এক ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পাছত অধিনায়ক গীল আৰু ৰবীন্দ্ৰ জাদেজাই সুন্দৰভাৱে খেলি ষষ্ঠ উইকেটৰ যুটীত অপৰাজিত ৯৯ ৰাণ যোগ দিয়ে। ইংলেণ্ডৰ হৈ ৰকছে দুটা আৰু কাৰছ, ষ্টোকছ আৰু বছিৰে এটাকৈ উইকেট অধিকাৰ কৰে।

০০০০০০০০০

**সমাপ্ত**